# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2024
**Time :** 21-25 Hrs

**Assamese Night Bulletin**
::::::::::::::::::::::::::::::::

অসম প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা ৰূপত অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰখাৰ বিপৰীতে একাংশ লোকে ভিত্তিহীনভাৱে এই পৰীক্ষাত ত্ৰুটি উলিয়াবলৈ ব্যস্ত হৈ থকা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে উৎসৰ্গিকৃত মনোভাৱেৰে এই কাম সম্পন্ন কৰাৰ বিপৰীতে একাংশ সংবাদ মাধ্যম আৰু বিভিন্ন পক্ষই এই পৰীক্ষাক ত্ৰুটিপূৰ্ণ বুলি প্ৰমাণ কৰিবলৈ বৃথা চেষ্টা কৰি আহিছে। ইয়াৰ ফলত যুৱক-যুৱতীসকলৰহে ক্ষতি হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, পৰীক্ষাৰ পাছত প্ৰশ্নকাকতখন কোনোবাই কোনো মাধ্যমত প্ৰকাশ কৰিলেও তাৰ কোনো মূল্য নাথাকে। এই পৰীক্ষা সম্পূৰ্ণ নিকা আৰু ত্ৰুটিমুক্তভাৱে অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০

ভাৰতৰ তাৰকা শ্যুটাৰ তথা একেখন অলিম্পিকতে দুটাকৈ পদক বিজয়েৰে অভিলেখ সৃষ্টি কৰা মনু ভাকাৰক কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ নতুন ব্ৰেণ্ড এম্বেছেদৰ হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে খেলুৱৈগৰাকীৰ কৃতিত্বই নতুন প্ৰজন্মৰ খেলুৱৈসকলক অনুপ্ৰাণিত কৰিছে। তেওঁ অধিক সংখ্যক লোকক বিশেষকৈ যুৱ প্ৰজন্মক সামুদ্ৰিক খণ্ডৰ সৈতে সংযুক্ত কৰাত শক্তিশালী ভূমিকা গ্ৰহণ কৰাৰ লগতে ভাৰতৰ বিকাশৰ অনিৰুদ্ধ যাত্ৰাৰ অংশীদাৰ হব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০

অ' শৰৎৰ শেৱালী, মোক এজন বন্ধু লাগে, আইতা মোৰ আছিলে এনে বহু সুৰীয়া গীতেৰে অগণন শ্ৰোতাক মুগ্ধ কৰি অহা সংগীত শিল্পী দীগেন মহন্তৰ আজি সন্ধিয়া গুৱাহাটীৰ জ্যোতিনগৰৰ বাসগৃহত দেহাৱসান ঘটে। কেইবাটাও দশক সংগীত সাধনাৰ সৈতে জড়িত শিল্পীগৰাকীয়ে দীৰ্ঘদিন ধৰি দূৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। বিশিষ্ট সংগীত শিল্পী প্ৰয়াত খগেন মহন্তৰ কণিষ্ঠ ভাতৃ দীগেন মহন্ত আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী হোৱাৰ লগতে চলচ্চিত্ৰ আৰু বিভিন্ন মাধ্যমত সংগীত পৰিবেশন কৰিছিল। মহন্তৰ মৃত্যুত তেওঁৰ অনুৰাগী আৰু নগাওঁৰ বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। শিল্পীগৰাকীৰ শেষকৃত্য তেওঁৰ জন্মস্থান নগাওঁত সম্পন্ন কৰা হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে মৰিগাঁও জিলাৰ জাগীৰোডৰ ধৰমতুলত গছপুলি ৰোপণৰ কাৰ্যসূচী লোৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ উদ্যোগত ধৰমতুলৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয়

ঘাইপথৰ কাষতে থকা অমৃত সৰোবৰৰ দুয়োপাৰে ঘাইপথ প্ৰাধীকৰণে মুঠ ৫০০ জোপা গছৰ পুলি ৰোপণ কৰে। অমৃত বৃক্ষ আন্দোলনৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে জনসাধাৰণক নিজৰ মাতৃৰ নামত একোটিকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে আজি কৰিমগঞ্জ জিলাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বিধায়ক বিজয় মালাকৰে অংশগ্ৰহণ কৰে।

০০০

উচ্চতম ন্যায়ালয়ে কলকাতাৰ ধৰ্ষণ আৰু হত্যাৰ বলি হোৱা আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী চিকিৎসকৰ নামৰ সৈতে জড়িত পৃষ্ঠাসমূহ আঁতৰ কৰিবলৈ উইকিপিডিয়াক নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্দিৱালা, আৰু ন্যায়াধীশ মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠে এই ঘটনাৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে নিজাববীয়াকৈ ৰুজু কৰা গোচৰ সংক্ৰান্তত শুনানি গ্ৰহণ কৰি আজি এইদৰে নিৰ্দেশ দিয়ে। মহান্যায়াভিকৰ্তা তুষাৰ মেহতাই শুনানিৰ সময়ত বিচাৰপীঠখনৰ আগত কয় যে, উইকিপিডিয়াই বৰ্তমানেও ভূক্তভোগী চিকিৎসকগৰাকীৰ নাম আৰু আলোকচিত্ৰ প্ৰদৰ্শন কৰি আছে। বিচাৰপীঠখনে কয় যে, ই ২০ আগষ্টতে ভুক্তভোগী মহিলাগৰাকীৰ নাম আৰু আলোকচিত্ৰ সামাজিক মাধ্যম আৰু বৈদ্যুতিন সংবাদ মঞ্চৰ পৰা আঁতৰ কৰিবলৈ নিৰ্দেশ দিছিল। বিচাৰপীঠখনে উইকিপিডিয়াক এই নিৰ্দেশ পালন কৰিবলৈ পুনৰাই কয়। উচ্চতম ন্যায়ালয়ে কয় যে, কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে দাখিল কৰা গোচৰৰ স্থিতি সম্পৰ্কীয় প্ৰতিবেদন সচাকৈ চিন্তাজনক। অৱশ্যে সৰ্বোচ্চ ন্যায়ালয়ে চিবিআইয়ে দাখিল কৰা প্ৰতিবেদনৰ সবিশেষ প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। ন্যায়ালয়ে কয় যে এনেধৰণৰ তথ্য সদৰি কৰিলে তদন্তত বাধা উৎপন্ন হ'ব পাৰে। এখন ৩ জনীয়া বিচাৰপীঠে ৯ চেপ্তেম্বৰত এই ঘটনা সন্দৰ্ভত চিবিআইক নতুনকৈ স্থিতি সম্পৰ্কীয় প্ৰতিবেদন দাখিল কৰিবলৈ আহ্বান জনাইছিল।

০০০

কেন্দ্ৰীয় বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি নতুন দিল্লীত বহনক্ষম বস্ত্ৰ সন্মিলনৰ তৃতীয় সংস্কৰণ উদ্বোধন কৰে। বস্ত্ৰক্ষেত্ৰত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ লগতে ইয়াৰ বহনক্ষমতা বৃদ্ধিৰ সুবিধা প্ৰদানৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত বহনক্ষমতা মূল চাবি-কাঠী বুলি উল্লেখ কৰি বস্ত্ৰ উদ্যোগৰ বহনক্ষমতাৰ ক্ষেত্ৰত বিশ্বক নেতৃত্ব দিয়াৰ বাবে ভাৰতৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু অংশীদাৰী গোটসমূহে এইক্ষেত্ৰত ঐক্যবদ্ধ হৈ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম-কাজ অব্যাহত ৰাখিছে। তেওঁ লগতে কয় যে ভাৰতে বহনক্ষমতাক আধুনিক জীৱনশৈলী হিচাপে গ্ৰহণ কৰিছে। এয়া কেৱল জনসাধাৰণৰ ৰুচিয়েই নহয়, প্ৰয়োজনো বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে ফাইভ এফৰ নীতি অৰ্থাৎ ফাৰ্ম, ফাইবাৰ, ফেক্টৰী, ফেচন আৰু ফ'ৰেন মাৰ্কেটৰ সহায়ত ভাৰতে সেউজ বস্ত্ৰ উদ্যোগ গঢ়ি তোলাৰ দিশে অগ্ৰসৰ হৈছে।

০০০

সমাপ্ত